(Carnivore) স্তন্যপায়ী জন্তুৰ উপস্থিতি কেমেৰাৰ নিৰীক্ষণত লিপিবদ্ধ হৈছে যিটো ভাৰতবৰ্ষৰ আন অভয়াৰণ্যত বিৰল। তদুপৰি বন্যপ্ৰাণী জীৱবিজ্ঞানী ড° কাশ্মীৰা কাকতিৰ ক্ষেত্ৰ গৱেষণাৰপৰা নিশ্চিত হোৱা গৈছে যে এই অভয়াৰণ্যখনত সাতটা বিভিন্ন প্ৰজাতিৰ বন মেকুৰী (Wild Cat) জাতীয় প্ৰাণী যেনে—Clouded Leopard, Bengal Tiger, Marbled Cat, Golden Cat, Indian Leopard, Leopard Cat আৰু Jungle Cat-এ সহ-অৱস্থান কৰি আৱাসস্থল গঢ়ি তুলিছে আৰু এনে অভিলেখ সমগ্ৰ বিশ্বৰ ভিতৰতে একমাত্ৰ ইয়াতেই প্ৰথম।

দিহিং পাটকাই অভয়াৰণ্যখনৰ মূল আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ জন্তুটো হৈছে হলৌ বান্দৰ (Hoolock Gibbon)। ১৯৭২ চনৰ বন্যপ্ৰাণী (সংৰক্ষণ) আইন অনুযায়ী ই এক নম্বৰ অনুসূচীভুক্ত প্ৰাণী আৰু অভয়াৰণ্যখনৰ প্ৰধান আকৰ্ষণ। এটা সমীক্ষা মতে ডিগবৈ বন সংমণ্ডলত আঢ়ৈশতকৈ অধিক এই আপুৰুগীয়া বান্দৰবিধ পোৱা যায়। ২০০৯ চনৰ পিয়ল অনুযায়ী অভয়াৰণ্যখনত ২,৩৫৯টা প্ৰাইমেট পোৱা গৈছিল। অভয়াৰণ্যখনত সাধাৰণতে পোৱা বিপন্নপ্ৰায় পাঁচটা প্ৰধান স্তন্যপায়ী প্ৰাণী হৈছে—বাঘ, হাতী, বনৰীয়া কুকুৰ, হলৌ বান্দৰ আৰু শিহু। উপাদেয় খাদ্য আৰু পানীৰ প্ৰাচুৰ্যৰ বাবে দিহিং পাটকাই বনৰীয়া হাতীৰ বাবে এখন অন্যতম আৱাসস্থল। তদুপৰি এই অভয়াৰণ্যখনৰ সংলগ্ন বিশাল অৰণ্যখনৰ মাজেদিয়েই দীৰ্ঘ দূৰত্বৰ হাতী দণ্ডী (Elephant Corridor) আছে আৰু বনৰীয়া হাতীৰ দলসমূহে নিয়মীয়াকৈ কাষৰীয়া অৰুণাচল প্ৰদেশৰ চাংলাং জিলালৈকে প্ৰব্ৰজন কৰে। এই অভয়াৰণ্যখন ২০০৩ চনত গঠন হোৱা দিহিং পাটকাই হাতী সংৰক্ষিত এলেকাৰ (Dehing Patkai Elephant Reserve) অন্তৰ্ভুক্ত। আৰু অৰুণাচল প্ৰদেশৰ দেওমালি হাতী সংৰক্ষিত এলেকাৰ লগত সংলগ্ন। ২০১১ চনৰ পৰিসংখ্যা অনুসৰি এই এলেকাত হাতীৰ সংখ্যা আছিল ২০৪টা।

দিহিং পাটকাই অভয়াৰণ্যখনত বিভিন্ন চৰাই-চিৰিকটিৰ সংখ্যাও যথেষ্ট। এতিয়ালৈকে কৰা এটা ক্ষেত্ৰভিত্তিক জৰীপৰ মতে ইয়াত প্ৰায় ২৯৩টা বিভিন্ন প্ৰজাতিৰ চৰাইৰ তথ্যৰ সন্ধান পোৱা গৈছে। ইয়াৰে অধিকাংশই (৬৩.৭ শতাংশ) ঘৰুৱা স্থানীয় চৰাই। ২৩.১ শতাংশ শীতকালি আৰু ২.৫ শতাংশ গ্ৰীষ্মকালি পৰিভ্ৰমণ কৰা চৰাই। আৰু ১০.৭ শতাংশ পশ্চিম, কেন্দ্ৰীয়, পূব হিমালয়ৰ উচ্চ অক্ষাংশৰপৰা অহা পৰিভ্ৰমী চৰাই। উল্লেখযোগ্য যে ইণ্টাৰনেশ্যনেল বাৰ্ড লাইফ সংস্থাটোৱে অভয়াৰণ্যখনৰ আপাৰ দিহিং পূব (IN-AS-44) আৰু পশ্চিম খণ্ড (IN-AS-45) দুটাক গুৰুত্বপূৰ্ণ পক্ষী অঞ্চল (Important Bird Area) হিচাপে স্বীকৃতি প্ৰদান কৰিছে। অভয়াৰণ্যখনৰ বাবে গৌৰৱৰ বিষয়, ইয়াত এতিয়াও অতি দুষ্প্ৰাপ্য বগা পাখিৰ দেওহাঁহ (White Winged Wood duck) দেখা পোৱা যায় আৰু এই অৰণ্যভূমি ইহঁতৰ বাবে এটা সুৰক্ষিত আৱাসস্থল। প্ৰণিধানযোগ্য যে এই বগা পাখিৰ দেওহাঁহ অসমৰ ৰাজ্যিক পক্ষী (State Bird of Assam) হিচাপে স্বীকৃত। তদুপৰি অভয়াৰণ্যখনৰ বিভিন্ন বনাঞ্চলত বাঢ়েটোকা, হাড়গিলা, Slender Billed Vulture, White-checked Hill Partridge ইত্যাদি বিভিন্ন প্ৰজাতিৰ চৰাইৰ আৱাসস্থল। অভয়াৰণ্যখন প্ৰায় ৪৭টা প্ৰজাতিৰ সৰীসৃপৰো বিচৰণভূমি। তদুপৰি ইয়াত বিভিন্ন ৰং-বিৰঙৰ প্ৰায় ৩১০টা প্ৰজাতিৰ পখিলাও পোৱা যায়।

অভয়াৰণ্যখনৰ উদ্ভিদ জগতো বিভিন্ন প্ৰকৃতিৰ আৰু বহু মূল্যৱান গছ-গছনিৰে পৰিপূৰ্ণ। অৰণ্যখনত প্ৰভুত্ব বিস্তাৰ কৰা অন্যতম গছবিধ হৈছে আকাশ চুব খোজা সুউচ্চ হোলোং গছ। অসমৰ ৰাজ্যিক গছ (State Tree of Assam) হিচাপে স্বীকৃতি পোৱা হোলোঙৰ উপৰিও ইয়াত প্ৰচুৰ পৰিমাণে মেকাই, শলখ, উৰিয়াম, নাহৰ, বৰপাত, চামকঁঠাল, ধূনা, বিভিন্ন প্ৰজাতিৰ ডিমৰু, ঔটেঙাকে ধৰি সৰু-বৰ অলেখ প্ৰজাতিৰ গছ পোৱা যায়। ইয়াৰ উদ্ভিদ জগত তিনি তৰপীয়া স্তৰেৰে আবৃত। অসংখ্য গুল্ম-লতিকাৰে অৰণ্যখন বহুতো ঔষধি গুণসম্পন্ন উদ্ভিদেৰেও পৰিপূৰ্ণ। বিভিন্ন প্ৰজাতিৰ অৰ্কিড এই অভয়াৰণ্যখনৰ মূল্যৱান অলংকাৰস্বৰূপ। আমাৰ ৰাজ্যখনৰ স্বীকৃত ফুল (State Flower) কপৌ ফুল অৰণ্যখনৰ এটা সুলভ সম্পদ। বিস্তৃতি আৰু সংৰক্ষণৰ অসাধাৰণ মূল্য থকা হেতুকে দিহিং পাটকাই বন্যপ্ৰাণী অভয়াৰণ্যখন শৈক্ষিক, গৱেষণা আৰু পৰিৱেশ সম্পৰ্কীয় মনোৰঞ্জনৰ দিশৰপৰা যথেষ্ট গুৰুত্বপূৰ্ণ।

পূৰ্বতে থকা সংৰক্ষিত বনাঞ্চলকেইখনক সাঙুৰি ইয়াৰ সংৰক্ষণৰ গুৰুত্ব উপলব্ধি কৰি ৰাজ্য চৰকাৰে নতুনকৈ এই বন্যপ্ৰাণী অভয়াৰণ্যখন গঠন কৰাটো সকলোৰে বাবে আনন্দ আৰু উৎসাহৰ বিষয়। কিন্তু **অভয়াৰণ্য ঘোষণাৰ ডেৰ দশকৰ পাছতো বনজ সম্পদ তথা বন্যপ্ৰাণী পৰিচালনা, নিৰাপত্তা তথা চোৰাং চিকাৰ ৰোধ, যথেষ্ট সংখ্যক বিষয়া-কৰ্মচাৰী নিয়োগ আৰু অন্যান্য আন্তঃগাঁথনিমূলক কাম-কাজৰদ্বাৰা চৰকাৰে যেনেধৰণে সংৰক্ষণৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগিছিল তাকে নকৰাত অভয়াৰণ্যখনৰ সামগ্ৰিক পৰিৱেশ-পৰিস্থিতি ক্ৰমান্বয়ে অৱক্ষয়ৰ দিশে গতি কৰিছে।** যিহেতু অভয়াৰণ্যখন নানা মূল্যৱান প্ৰথম শ্ৰেণীৰ কাঠৰ গছেৰে ভৰা, সেয়ে কাঠৰ চোৰাং ব্যৱসায়ীসকলৰ বাবে ই ৰম্যভূমি হৈ পৰিছে। যথেষ্ট সংখ্যক সুসজ্জিত বনৰক্ষীৰ অভাৱৰ বাবে এক কথাত অভয়াৰণ্যখনৰ বহুতো এলেকা এতিয়া মুক্ত চৰণীয়া পথাৰলৈ পৰিণত হৈছে। ইয়াৰ পৰিণতিত সমান্তৰালকৈ আপুৰুগীয়া বন্যপ্ৰাণীসমূহৰ আৱাসস্থলীও বৰ্তমান গভীৰ সংকটৰ গৰাহত। কাঠৰ চোৰাং ব্যৱসায়ৰ লগতে অবৈধ কয়লা খনন কাৰ্যৰ বাবেও সংবেদনশীল অভয়াৰণ্যখনৰ ব্যাপক ক্ষতিসাধন হৈছে। এনে সময়তে ৰাজ্যখনৰ মুখ্যমন্ত্ৰীগৰাকীয়ে এই অভয়াৰণ্যখনক ৰাষ্ট্ৰীয় উদ্যানলৈ উন্নীত কৰাৰ ক্ষেত্ৰত লোৱা পদক্ষেপক সকলোৱে আদৰণি জনাইছে যদিও এই প্ৰক্ৰিয়া বন বিভাগৰ বাবে সিমান সহজসাধ্য নহ'ব। ৰাষ্ট্ৰীয় উদ্যান এখন নতুনকৈ গঠন কৰা সন্দৰ্ভত ১৯৭২ চনৰ বন্যপ্ৰাণী (সংৰক্ষণ) আইনত কোৱা হৈছে যে 'The State Government can notify an area whether within a sanctuary or not is by reason of its ecological, faunal, floral, geomorphological or zoological association or importance, needed to be constituted as a National Park for the purpose of protecting, propagating or developing wildlife therein or its environment.' বন্যপ্ৰাণী (সংৰক্ষণ) আইন অনুযায়ী বন্যপ্ৰাণী অভয়াৰণ্য এখনো সুৰক্ষিত অঞ্চল যদিও ইয়াত মানুহৰ কিছুমান নিৰ্দিষ্ট কাৰ্যকলাপ যেনে পোহনীয়া জীৱ-জন্তু চৰাবলৈ বা নিত্য ব্যৱহাৰ্য খৰি-খেৰ কাষৰীয়া জনসাধাৰণক সংগ্ৰহ কৰিবলৈ অনুমতি দিয়া হয়। কিন্তু ৰাষ্ট্ৰীয় উদ্যান এখনত সংৰক্ষণৰ স্বাৰ্থত মানুহৰ যিকোনো কাৰ্যকলাপ সম্পূৰ্ণভাৱে নিষিদ্ধ। আপেক্ষিকভাৱে ৰাষ্ট্ৰীয় উদ্যান এখনত বন তথা বন্যপ্ৰাণী আইন যথেষ্ট কঠোৰ।

ইতিমধ্যে দিহিং পাটকাই অভয়াৰণ্যখনক মানৱ-সৃষ্ট ঔদ্যোগিক কাৰ্যকলাপ আদিৰপৰা ৰক্ষাকৱচ দিবৰ বাবে কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে ১৯৮৬ চনৰ পৰিৱেশ (সংৰক্ষণ) আইন অনুসৰি অভয়াৰণ্যখনৰ চাৰিওদিশে এটা নিৰ্দিষ্ট পৰিসীমালৈকে পৰিৱেশ সংবেদনশীল মণ্ডল (Eco Sensitive Zone) ঘোষণা কৰাৰ প্ৰক্ৰিয়া যোৱা ২০১৯ চনতেই আৰম্ভ কৰিছিল। সেই অনুসৰি মন্ত্ৰালয়ে ৰাজপত্ৰিত